समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ৬

উদ্যোগী হওঁ আহাঁ

অংশ - ৪

অংগৰাগ ভূঞা



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। ছাত্ৰ-ছাত্ৰীসকলক উদ্যোগী হিচাপে মানসিক ভাৱে প্ৰস্তুত কৰি ৰাখিবলৈ কি কি কৰিব পৰা যায়?



উত্তৰঃ উদ্যোগী হ'বলৈ বিচৰা লোকৰ বাবে ভাৰত চৰকাৰৰ Indian Institute of Entrepreneurship নামৰ সংস্থা ভাৰতৰ প্ৰতিখন ৰাজ্যতে আছে যদিও ছাত্ৰ-ছাত্ৰীসকলকো উদ্যোগী হিচাপে মানসিকভাৱে প্ৰস্তুত কৰি ৰাখিবলৈ মহাবিদ্যালয়, বিশ্ববিদ্যালয়, অভিযান্ত্রিক মহাবিদ্যালয়ত উদ্যোগী কোষ (entrepreneur cell) গঠন কৰা হৈছে আৰু এই কোষসমূহে নিয়মিতভাবে কৰ্মশালা, প্ৰশিক্ষণ আদিৰ আয়োজন কৰে। সেয়েহে ছাত্ৰ অৱস্থাৰে পৰা কেৱল চাকৰিৰ আশাত পঢ়াৰ পৰিৱৰ্তে সমান্তৰালভাৱে এই কৰ্মশালা প্ৰশিক্ষণ আদিত যোগদান কৰি নিজকে উদ্যোগী হিচাপে মানসিকভাৱে প্ৰস্তুত কৰি ৰাখিব পাৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। চমুটোকা লিখা —

টমাচ আলভা এডিচন, ৰাডাৰফৰ্ড, আলেকজেণ্ডাৰ গ্ৰাহামবেল, চেষ্টাৰ কার্লচন, বিল গেট্ছ, উইলিয়াম চেক্সপীয়েৰ, জুবিন গার্গ, অংগৰাগ পাপন মহন্ত।

উত্তৰঃ **টমাচ আলভা এডিছন:** বিখ্যাত মার্কিন বিজ্ঞানী আৰু আৱিষ্কাৰক টমাচ আলভা এডিছনৰ ১৮৪৭ চনৰ ১১ ফেব্রুৱাৰীত জন্ম আৰু মৃত্যু হয় ১৯৩১ চনৰ ১৮ অক্টোবৰত। টমাচ আলতা এডিছনক বহুতে 'আৱিষ্কাৰৰ মেচিন' আৰু আধুনিক প্রযুক্তিবিদ্যাৰ জনক বুলি অভিহিত কৰে। প্রায় এহাজাৰতকৈও অধিক সৰু-বৰ আৱিষ্কাৰৰ পেটেণ্ট কৰা যন্ত্রৰ তেওঁ অধিকাৰী। ১৮৭৭ চনত তেওঁ এটা কথা ক'ব পৰা আকর্ষণীয় যন্ত্রৰ আৱিষ্কাৰ কৰে। সেইটোৱেই আছিল আধুনিক গ্রামোফোন আৰু টেপ ৰেকর্ডাৰৰ আদি ৰূপ। এডিছনে ইয়াৰ নাম দিছিল। গ্রামোফোন।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২৭



উত্তৰঃ ৰাডাৰফৰ্ড: ১৮৭৭ চনৰ পৰা ১৮৮১ চনলৈ তেও আমেৰিকাৰ ঊনবিংশতিতম ৰাষ্ট্রপতি আছিল। আমেৰিকাৰ ৰাষ্ট্রপতি ৰাডাৰফৰ্ডৰ সন্মুখত গ্রাহামবেলে নিজৰ আৱিষ্কাৰ প্রদর্শন কৰিছিল। ৰাডাৰফৰ্ডে যন্ত্রটো চাই মন্তব্য কৰিছিল যে সেইটো এটা আচৰিত আৱিষ্কাৰ আৰু সেইটো কোনে ব্যৱহাৰ কৰিব বা কোনে ল'ব নিশ্চিত নহয়। অর্থাৎ টেলিফোনৰ গুৰুত্ব অনুধাৱন কৰাত তেওঁ বিফল হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ আলেকজেণ্ডাৰ গ্ৰাহামবেল: স্কটলেণ্ডৰ পদাৰ্থ বিজ্ঞানী আৰু শিক্ষাবিদ; টেলিফোনৰ আৱিষ্কাৰক। ১৮৪৭ চনৰ ৩ মাৰ্চত স্কটলেণ্ডৰ এডিনবৰাত জন্ম। তেওঁৰ পিতৃ আছিল আলেকজেণ্ডাৰ মেলভিল বেল। এডিনবৰা বিশ্ববিদ্যালয় আৰু লণ্ডনৰ ইউনিভাৰচিটি কলেজত শিক্ষা লাভ কৰি দেউতাকৰ এক মূকবধিৰ শিক্ষানুষ্ঠানত সহকাৰীৰূপে কৰ্মজীৱন আৰম্ভ। ১৮৭১ চনত গ্ৰাহাম বেল আমেৰিকালৈ যায় আৰু তাৰ বষ্টন বিশ্ববিদ্যালয়ৰ কণ্ঠ শৰীৰবিদ্যা (vocal physiology) বিভাগৰ অধ্যাপকৰূপে কাৰ্যনিৰ্বাহ কৰে (১৮৭৩)।

সমসাময়িকভাৱে মুকবধিৰসকলৰ উন্নয়নৰ বাবে বিভিন্ন প্ৰয়াস কৰিবলৈ লয়। বধিৰসকলৰ শিক্ষাৰ উন্নয়নত তেওঁ উদ্ভাৱন কৰা পদ্ধতিৰ বিশেষ অৱদান আছে। সেই সময়তে তেওঁৰ মনলৈ বৈদ্যুতিক তৰংগৰ সহায়ত শব্দ প্ৰেৰণৰ ধাৰণাটো আহে আৰু দীৰ্ঘ গৱেষণাৰ অন্তত ১৮৭৫ চনৰ ৫ জুনত বেলে আৱিষ্কাৰ কৰে তেওঁৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ কীৰ্তি- টেলিফোন। ১৯২২ চনৰ ২ আগষ্টত গ্ৰাহাম বেলৰ মৃত্যু হয়। তেওঁ মৃত্যুৰ দিনা আমেৰিকা চৰকাৰে দেশখনৰ সকলো টেলিফোন এক মিনিটৰ বাবে বন্ধ ৰাখি টেলিফোনৰ আবিষ্কাৰক আলেকজেণ্ডাৰৰ প্ৰতি সম্মান জনাইছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ **চেষ্টাৰ কার্লচন:** তেওঁৰ সম্পূৰ্ণ নাম চেষ্টাৰ ফ্লুইড কার্লছন । তেওঁ এগৰাকী আমেৰিকান পদার্থবিদ আৰু উদ্ভাৱক আছিল। তেওঁ ইলেক্ট্ৰ'ফটোগ্রাফীৰ উদ্ভাৱন কৰিছিল।



উত্তৰঃ **বিল গেট্চ:** কম্পিউটাৰ-ছফটৱেৰ ইঞ্জিনিয়াৰ আৰু ব্যৱসায়ী, বিশ্বৰ আটাইতকৈ ধনী ব্যাক্তি হিচাপে পৰিগণিত বিল গেটছৰ প্ৰকৃত নাম উইলিয়াম হেনৰি গেটছ (William Henry Gates)। ১৯৫৫ চনৰ ২৮ অক্টোবৰত ৱাশ্বিংটনত ছিয়াটলত (Seattle) বিল গেটছৰ জন্ম হয়। পিতৃ উইলিয়াম এইচ গেটছ (জ্যেষ্ঠ), মাতৃ মেৰী মেক্সৱেল গেটছ। ১৯৬৭ চনত তেওঁ লেকচাইড স্কুলত ভর্তি হয়। সৰুৰে পৰা তেওঁ কম্পিউটাৰৰ প্ৰতি বেছ আগ্ৰহী আছিল আৰু ১৩ বছৰ বয়সতে স্কুলৰ বাবে এক ‘বেছিক লেংগুৱেজ’ প্ৰগ্ৰেম কৰি উলিয়াইছিল। ১৯৬৯ চনত গেটছে পল এলেন আৰু দুই সহপাঠীৰ সৈতে ‘লেকচাইড প্ৰগ্ৰেমার্ছ গ্ৰুপ’ প্ৰতিষ্ঠা কৰে।

১৯৭৩ চনত গেট্‌ছ শিক্ষালাভৰ বাবে হাভার্ডলৈ যায়। ১৯৭৫ চনত পল আৰু গেটছে 'মডেল ইন্সট্রুমেন্টেছন এণ্ড টেলিমেট্রি ছিষ্টেমছ' (চমুকৈ এম আই টি এছ) নামৰ প্রতিষ্ঠানটোৰ বাবে এক 'বেছিক' ছফটৱেৰ সম্পূর্ণ কৰি তোলে আৰু তেওঁলোকৰ নিজস্ব কোম্পানী 'মাইক্রোছফট কর্পোৰেছন'বো জন্ম দিয়ে। ১৯৮০ চনত তেওঁ বিখ্যাত কম্পিউটাৰ কোম্পানী আই বি এমৰ লগত চুক্তিবদ্ধ হয় আৰু ১৯৮১ চনত এই কোম্পানীয়ে, মাইক্রোছফটে বিকাশ কৰা এম এছ ড'ছ (MS DOS: Microsoft Disk Operating System). বা মাইক্রোছফট ডিস্ক অপাৰেটিং ছিষ্টেম পদ্ধতি তেওঁলোকৰ পার্ছনেল কম্পিউটাৰত ব্যৱহাৰ কৰিবলৈ লয়।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ উইলিয়াম চেক্সপীয়েৰ: ইংৰাজ নাট্যকাৰ আৰু কবি। ১৫৬৪ চনৰ ২৬ এপ্রিলত ইংলেণ্ডৰ ৱাৰউইকশ্বায়াৰৰ (Warwickshire) ষ্ট্রেটফোর্ড-আপন-এভন (Stratford upon- Avon) নামৰ ঠাইত জন্ম। পিতৃ জন চেক্সপীয়েৰ (John Shakespeare, ১৫৩০- ১৬০১) আছিল এজন ঊলৰ ব্যৱসায়ী। মাক মেৰি আর্ডেন (Mary Arden) এক সম্ভ্রান্ত ঘৰৰ মহিলা আছিল যদিও লিখা-পঢ়া একেবাৰে নাজানিছিল। ষ্ট্রেটফোর্ডৰ এখন বিদ্যালয়ত প্রাথমিক শিক্ষা লাভ কৰা শ্বেক্সপীয়েৰে উচ্চ শিক্ষা লাভ কৰিছিল নে নাই জনা নাযায়। অৱশ্যে তেওঁ লেটিন আৰু গ্রীক ভাষাৰ জ্ঞান লাভ কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৫৮০ চনৰ পৰা ১৫৮২ চনলৈ এটা ৰোমান কেথলিক পৰিয়ালত শিক্ষক হিচাপে কাম কৰিছিল বুলি জনা যায়। ১৫৮২ চনত এনি হেথৰে নামৰ তেওঁতকৈ আঠ বছৰে ডাঙৰ মহিলা এগৰাকীৰ লগত বিবাহ আৰু কালক্রমত এটি পুত্র আৰু দুটি কন্যা সন্তানৰ পিতৃ । চেক্সপীয়েৰৰ ১৫৮২ চনৰ পাছৰ সময়ছোৱা ভালদৰে জনা নাযায়। হয়তো সেই সময়ত লণ্ডনৰ কোনো এক বা একাধিক থিয়েটাৰ কোম্পানীত অভিনেতা আৰু নাট্যকাৰ হিচাপে তেওঁ কাম কৰিছিল।

লণ্ডনত থকা কালতে চেক্সপীয়েৰে থিয়েটাৰৰ বাবে নাটক লিখিবলৈ লয়।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১৫৯২ চনত তেওঁ লণ্ডনৰ বিখ্যাত নাটক কোম্পানী ‘লর্ড চেম্বাৰলেইন্‌জ মেন’ত (Lord Chamberlain’s Men) যোগদান কৰে আৰু কর্মজীৱনৰ শেষলৈকে তাতে থাকে। ১৬০৩ চনত এই কোম্পানীয়ে নাম সলাই ‘কিংছ মেন’ নাম লয় আৰু প্রায়ে ইংলেণ্ডৰ ৰাজসভাত নাট প্রদর্শন কৰে। সেই সময়ৰ ইংলেণ্ডৰ ৰজা প্রথম জেমছৰ পৃষ্ঠপোষকতাত এই সংস্থাই লণ্ডনত বিশেষ প্রসিদ্ধি লাভ কৰে। সকলো প্রসিদ্ধ নাট্যকাৰৰ দৰে শ্বেক্সপীয়েৰেও ৰংগমঞ্চ সমূহৰ (theatre) প্রতি লক্ষ্য ৰাখি নাট ৰচনা কৰিছিল। ৰচনাৰ সময় হিচাপে তেওঁৰ নাটসমূহক সাধাৰণভাৱে চাৰিটা যুগত ভাগ কৰা হয়।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ **জুবিন গার্গ:** কণ্ঠশিল্পী, সংগীত ব্যৱস্থাপক, সুৰকাৰ, গীতিকাৰ, শব্দযন্ত্রী, সংগীত পৰিচালক। ১৯৭২ চনৰ ১৮ নৱেম্বৰত তেওঁৰ জন্ম হয়। জুবিনৰ প্রথম গীত বাণীবদ্ধ হয় ১৯৯০-৯১ চনমানত যোৰহাট অনাতাঁৰ কেন্দ্রত। জুবিন গার্গে এতিয়ালৈকে বিভিন্ন ভাষাৰ প্রায় ৩০,০০০ গীতত কণ্ঠদান কৰিছে। বিহুগীত, টোকাৰী গীত, বৰগীত, লোকগীত, বনগীত আৰু অন্যান্য লোক-সংগীতৰ কেছেট/চিডিত কণ্ঠদান কৰাৰ উপৰি এশৰো অধিক অসমীয়া আৰু হিন্দী গীতৰ নেপথ্য শিল্পীৰূপে কণ্ঠদান কৰিছে। তেওঁ পৰিচালনা তথা নায়কৰূপে অভিনয় কৰা ছবি ‘তুমি মোৰ মাঁথো মোৰ’ ‘মিছন চাইনা’, ‘কাঞ্চনজংঘা’।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অভিনয় কৰা **ছবি:** ‘তুমি মোৰ মাথোঁ মোৰ’, ‘দীনবন্ধু’, ‘মন যায়’, ‘আণ্ডাৰৱৰ্ল্ড’, ‘ৰ’দৰ চিঠি’, চিকাৰ, কাঞ্চনজংঘা, মিছন চাইনা, গানে কি আনে, আদি। তেওঁৰ সংগীত পৰিচালিত **ছবি:** ‘হিয়া দিয়া নিয়া’, ‘তুমি মোৰ মাথোঁ মোৰ’, ‘দাগ’, ‘মন যায়’, ‘নায়ক’, ‘কন্যাদান’, ‘ৰামধেনু’, ‘ৰ’দৰ চিঠি’, ‘দি ষ্ট্রিংছ-বাউণ্ডেড বাই ফেইথ’ (হিন্দী), ‘এট দি ৰিভাৰ ফ্লউছ’ আদি। অসমীয়া আৰু হিন্দীৰ উপৰি তামিল, তেলুগু, কানাড়া, পঞ্জাবী, উৰিয়া, বাংলা, মাৰাঠী, নেপালী আদি ভাষাৰ গীততো তেওঁ কণ্ঠদান কৰিছে।

তেওঁৰ প্ৰকাশিত পুথি: ‘শব্দ অনুভূতি’, ‘জুবিনৰ পদ্য’।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

‘ইকোছ অব্ ছাইলেন্স’ শীৰ্ষক তথ্য চিত্ৰখনৰ বাবে ২০০৮ চনৰ শ্ৰেষ্ঠ সংগীত পৰিচালকৰ (অ-কাহিনী শাখাত) বঁটা লাভ। থলুৱা আৰু পশ্চিমীয়া সুৰ তথা সংগীতৰ সাৰ্থক সংমিশ্ৰণেৰে অসমৰ সংগীত জগতত সৃষ্টি কৰা এক নতুন ধাৰাৰ বাবে শ্ৰোতাৰ মাজত জুবিন গাৰ্গৰ গীত অভূতপূৰ্বভাৱে জনপ্ৰিয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ **অংৰাগ পাপন মহন্ত:** কণ্ঠশিল্পী। ১৯৭৫ চনত তেওঁৰ জন্ম হয়। উত্তৰ-পূৰ্বাঞ্চলৰ লোক সংগীত আৰু বৈষ্ণৱ ভক্তিমূলক গীতসমূহক আধুনিক বাদ্যযন্ত্ৰৰ ব্যৱহাৰেৰে ফিউজন ৰূপত উপস্থাপন কৰি জনপ্ৰিয় কৰে।

প্ৰকাশিত গীতৰ এলবাম: 'জোনাকী ৰাতি', 'চিনাকি অচিনাকি', 'গোমচেং, 'ফাগুনৰ গান', 'ফুলচেং', 'ধূলিৰ আকাশ', 'ৰংফুল' আদি। ইষ্ট ইণ্ডিয়া কোম্পানী নামৰ সংগীত গোষ্ঠীটোৰ মূল কণ্ঠশিল্পী। এম টি ভিৰ সংগীত অনুষ্ঠান ক'ক ষ্টুডিঅ'ত একাধিকবাৰ গীত পৰিৱেশন, জনপ্ৰিয়তা অৰ্জন। একাধিক চলচ্চিত্ৰৰ নেপথ্য গায়ক হিচাপে কণ্ঠদান।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উল্লেখযোগ্য ছবি ‘ৰামধেনু’, ‘ৰ’দৰ চিঠি’, ‘বৰফি’, ‘আই এম কালাম’, দম লাগাকে হেইছা আদি।

বঁটা-সম্মান: গ্লোবেল ইণ্ডিয়ান এৱার্ড (২০১০), বিগ অসমীয়া মিউজিক এৱার্ড (২০১১)।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। সমার্থক শব্দ লিখা —



প্ৰভাত, কঠিন, এলেহুৱা, ডাঙৰ, চেষ্টা, লগৰীয়া, লক্ষ্য, নিৰৱচ্ছিন্ন, হাবিয়াস, সপোন।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ



প্ৰভাত : পুৱাবেলা, প্ৰাতঃ, ঊষা, প্ৰত্যূষ।

কঠিন : কঠোৰ, টান, নিষ্ঠুৰ।

এলেহুৱা : সোৱোপালি, হেলা।

ডাঙৰ : বিশাল, বিপুল, মোটা।

চেষ্টা : প্ৰয়াস, যত্ন, অধ্যৱসায়, প্ৰবন্ধ।

লগৰীয়া : সখা, সঙ্গী, মিত্ৰ, বন্ধু, দোস্ত।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

লক্ষ্য : মতলব, উদ্দেশ্য, ইচ্ছা, অভিপ্ৰায়।

নিৰৱচ্ছিন্ন : সৰ্বদা, সৰ্বক্ষণ, অহৰহ, নিৰন্তৰ।

হাবিয়াস : অভিলাষ, বাসনা, বাঞ্ছা।

সপোন : স্বপ্ন, সামাজিক ।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১০। বিপৰীতাৰ্থক শব্দ লিখা —

নতুন, ক্ষুদ্ৰ, সফল, কমহীন, এলেহুৱা, সহজ, সপোন, সুবিধা, আৰম্ভ, জন্ম, সমান।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

নতুন	: পুৰণি, পুৰণা
ক্ষুদ্ৰ	: বিশাল
কৰ্মহীন	: কৰ্মঠ
এলেহুৱা	: উদ্যমী
সহজ	: কঠিন
সপোন	: দিঠক
আৰম্ভ	: শেষ
জন্ম	: মৃত্যু
সমান	: অসমান

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১১। তুমি কথা-বতৰা পাতোঁতে সাৱধান হ'বা।
মনে পঢ়া-শুনা কৰি আছে।
গাড়ী দুখন অগা-পিছাকৈ গৈ আছে।
ওপৰৰ বাক্যকেইটাৰ দৰে তলত দিয়া
যুৰীয়া শব্দবোৰেৰে বাক্য সাজা —

ল'ৰা-ছোৱালী, হাত-ভৰি, খুৱাই-বুৱাই,
জীৱন-জীৱিকা, পা-পইচা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

ল'ৰা-ছোৱালীঃ বর্তমান ল'ৰা-ছোৱালীৰ মনত প্রতিযোগিতাৰ মানসিকতা বৃদ্ধি পাইছে।

হাত-ভৰিঃ জুইকুৰাৰ কাষত নয়নে হাত-ভৰি মেলি বহিছে।

খুৱাই-বোৱাইঃ বিজয়ে গৰুকেইটাক খুৱাই – বোৱাই ডাঙৰ দীঘল কৰিছে।

জীৱন জীৱিকাঃ লক্‌ডাউনৰ সময়ত সাধাৰণ জনতাৰ জীৱন জীৱিকা বাৰুকৈয়ে ক্ষতিগ্রস্ত হৈছিল।

পা-পইচাঃ পা-পইচাৰ অভাৱত নগেনে বহু কাম পৰিকল্পনা কৰিও আগবঢ়াব পৰা নাই।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১২। ভাব সম্প্রাসাৰণ কৰা —

(ক) উদ্যোগী পুৰুষ সিংহৰ সমান, এলেহুৱা কাপুৰুষৰ সমান।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ **উদ্যোগী পুৰুষ সিংহৰ সমান, এলেহুৱা কাপুৰুষৰ সমান:** উদ্যোগী পুৰুষৰ এলাহ নাথাকে। হাতত মূলধন কিম্বা কোনো ডাঙৰ ডিগ্ৰী নোহোৱাকৈ উদ্যোগী পুৰুষে ধৈর্য, একাগ্রতা, নিয়মানুবর্তিতা, সময়ানুবর্তিতা, আত্মবিশ্বাস আৰু সিংহৰ দৰে হাৰ নমনা মনোবৃত্তিৰে যিকোনো কামত অগ্রসৰ হ'ব পাৰে। কিন্তু এলেহুৱা লোকৰ উক্ত গুণবোৰৰ এটাও নাথাকে বাবেই যিকোনো পৰিস্থিতি মোকাবিলা কৰাৰ সাহস নাথাকে। কাপুৰুষৰ দৰে সকলো ক্ষেত্রত পিছত কৰাৰ মনোভাৱেৰে নিজক সদায় পিছুৱাই লৈ গৈ থাকে। সেয়ে এলেহুৱা কাপুৰুষৰ সমান আৰু উদ্যোগী সিংহৰ সমান বুলি কোৱা হয়।

(খ) যি মূলা বাঢ়ে তাৰ দুপাততে চিন।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ **যি মূলা বাঢ়ে তাৰ দুপাততে চিন:** মূলা গজি যেতিয়া দুপতীয়া হয়, তেতিয়াই মূলা কেনেকুৱা হ'ব বুজিব পাৰি। অর্থাৎ মূলাটো ভাল হ'লে প্রথম দুপাতত সি লহপহীয়া আৰু সতেজ হ'ব। এই কথাৰে ইয়াকে বুজাব বিচাৰিছে যে সৰু কালতেই ল'ৰা-ছোৱালী কেনে গঢ়ৰ হ'ব তাক বুজিব পৰা যায়। মানুহৰ ভৱিষ্যতৰ লয়-লক্ষণ, গুণ, স্বভাৱ আদি সৰু কালতেই ফুটি ওলায়। যিসকল ভৱিষ্যতে বেয়া মানুহ হ'ব তাৰ বেয়া গুণ, যিসকল ভাল মানুহ হ'ব তাৰ ভাল গুণ সৰু কালতেই ধৰা পৰে।

(গ) শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ **শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে:** শিয়ালে হাঁহ ধৰিব লাগিলে গিৰিহঁতে নেদেখাকৈ অতি যত্ন সহকাৰে কষ্ট কৰি, ইফালে সিফালে পেট পেলাই চুপি কৌশলেৰে ধৰিব লাগিব। এনেদৰে যত্ন নকৰাকৈ, কষ্ট নকৰাকৈ শুই থাকিলে সি কেতিয়াও হাঁহ ধৰিব নোৱাৰে।

ঠিক সেইদৰে মনে বিচৰা কিবা বস্তু পাবলৈ বা জীৱনত উন্নতি কৰিবলৈ এলেহুৱা হৈ বহি নাথাকি তাৰ বাবে বিশেষ যত্ন আৰু কষ্ট কৰিব লাগে। তাকে নকৰি বহি থাকিলে বস্তুৰেই লাভ নহয় অথবা ভাগ্যোদয় নহয়। কথাতে কয় – বহি থাকিলে ভাগ্যও বহি থাকে,– লৰচৰ কৰিলে ভাগ্যয়ো লৰচৰ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৩। লিংগ পৰিৱৰ্তন কৰা:

শিক্ষক, ছাৰ, ছাত্ৰ, পুৰুষ, বন্ধু।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

শিক্ষক – শিক্ষয়িত্রী।

ছাৰ – বাইদেউ।

ছাত্র – ছাত্রী।

পুৰুষ – নাৰী।

বন্ধু – বান্ধৱী।

